# সংযুক্ত আৰব আমিৰাতৰ চমু বিৱৰণ

الإمارات العربية المتحدة

ড° আবুল কালাম চৌধু
সহকাৰী অধ্যাপক, আৰবী বি
গুৱাহাটী বিশ্ববিদ্যা

## পাতনি (Introduction)ঃ

সংযুক্ত আৰব আমিৰাত (United Arab Emirates) হ'ল এছি মহাদেশৰ একেবাৰে পশ্চিমফালে থকা এখন ৰাষ্ট্ৰ তথা আৰবীয় উপদ্বীপ একেবাৰে দক্ষিণ পূৱত অৱস্থিত এখন দেশ। ইয়াৰ সীমামুৰীয়া দে সমুহ হ'ল ইয়াৰ পূৱে ওমান, দক্ষিন আৰু পশ্চিমে ছৌদি আৰু পশ্চিমে কাতাৰ আৰু উত্তৰে ইৰাণ অৱস্থিত।

সংযুক্ত আৰব আমিৰাত সাতখন আমিৰাতৰ দ্বাৰা গঠি আমিৰাত সাতখন হ'ল– আবুধাবী, ওজমান, ডুবাই, ফুজাইৰাহ, ৰ আল খাইমাহ, ছাৰজাহ আৰু উম্মু আল-কুৱাইন। প্ৰতেক আমিৰাত এজনকৈ শাসক থাকে আৰু সকলো শাসকে মিলি "সৰ্বোচ্চ পৰি সংঘৰ (Federal Supreme Council)" গঠন কৰে। আৰু এই সাতজ শাসকৰ মাজৰ পৰা যিকোনো এজনক সংযুক্ত আৰব আমিৰাত ৰাষ্ট্ৰপতি হিচাপে নিযুক্ত কৰে।

## সংযুক্ত আৰব আমিৰাতৰ চমু ইতিহাস (Brief History of United Arab Emirates)ঃ

সংযুক্ত আৰব আমিৰাতৰ ভূমিত মানুহে কেবা হাজাৰ বছৰ পূৰ্বৰ পৰা বাস কৰি আহিছে। ছাৰজাহৰ অন্তৰ্গত "ফায়া পৰ্বতৰ" আৱিষ্কৃ শীলৰ সামগ্ৰীয়ে প্ৰমাণ কৰে যে ইয়াত আফ্ৰিকা মহাদেশৰ মানুহে ১,২৭,০০০ বছৰ পূৰ্বৰ পৰা বাস কৰি আহিছে। আকৌ আৰবীয় উপকুলত অৱস্থিত "বাৰাকাহ পৰ্বতত" আৱিষ্কৃত জন্তুৰ চামৰা চেলাবলৈ ব্যৱহাৰ

কৰা শীলৰ অস্ত্ৰই প্ৰমান কৰে যে ইয়াত ১,৩০,০০০ বছৰ পূৰ্বৰে পৰা মানুহে বাস কৰি আহিছে। এই ঠাইৰ মানুহৰ বহিঃজগতৰ লগত সম্পৰ্ক থকাৰ প্ৰমাণ পোৱা নাযায় যদিও সময়ৰ সোতত ইন্দুছ উপত্যাকাৰ মেছোপটেমীয়া, ইৰাণ আৰু হৰাপ্পা সভ্যতাৰ লগত ব্যাৱসায়ীক সম্পৰ্ক ৰখাৰ প্ৰমাণ পোৱা যায়।

ইছলাম ধৰ্মৰ আবিৰ্ভাৱৰ পূৰ্বত ইয়াত বিশেষ বিশেষ বৈশিষ্টপূৰ্ণ মানুহে ছয়টা মুখ্য যুগ ধৰি বসবাস কৰি আহিছিল। কিন্তু ইছলাম ধৰ্মৰ আবিৰ্ভাৱে ইয়াত এটা নতুন সভ্যতাৰ সৃষ্টি কৰে আৰু পূৰ্বৰ পৰম্পৰাগত ৰীতি-নীতি পৰিহাৰ কৰে আৰু ইছলামৰ যুক্তিসংঙ্গত ৰীতি নীতিৰ প্ৰতি আকৃষ্ট হয় তথা ইছলামিক শাসন প্ৰচলনৰ আৰম্ভ হয়।

## পৰ্তুগীজ আৰু বৃটিছ সকলৰ আগ্ৰাসন (Entry of Portuguese and British)ঃ

ইউৰোপীয় উপনিবেশবাদৰ প্ৰসাৰৰ লগে লগে পৰ্তুগীজ, বৃটিছ আৰু দাস বাহিনীয়ে পাৰস্যৰ উপসাগৰীয় অঞ্চলত আধিপত্য বিস্তাৰ কৰিছিল। ওঠৰশ শতাব্দীৰ মাজ ভাগত "বনি-আছ কনফেদাৰেশ্বনে" যাক বৰ্তমান আবুধাবী বুলি জনা যায়, ইয়াৰ বেছিভাগ অঞ্চলত তেওঁলোকৰ প্ৰভাৱশালী শক্তি বিস্তাৰ কৰিছিল। আনহাতে উত্তৰে আল-কাৱাছিমে সামুদ্ৰীক বানিজ্যত আধিপত্য বিস্তাৰ কৰি আহিছিল, যদিও পৰ্তুগীজসকলে উপকুলীয় বসতিপূৰ্ণ অঞ্চলসমূহ বলপূৰ্বকভাৱে তেওঁলোকৰ শাসনৰ অধিনত কৰি লয়। পৰ্তুগীজ সেনাপতি আল-বুকাৰ্ক আৰু তেওঁৰ অনুগামী সেনাপতি সকলে সামুদ্ৰীক উপকুলীয় অঞ্চসমূহত বিভিন্ন দুৰ্গ নিৰ্মান কৰি শাসনৰ ভেটি মজবুত কৰি লৈছিল। বিশেষকৈ মুচিকাত, চোহাৰ আৰু খোৰ ফাক্কানৰ পূৰ্বউপকুলীয় অঞ্চলত কিছুমান দুৰ্গ নিৰ্মাণ কৰিছিল। ঠিক সেই সময়ত বৃটিছসকলে ভাৰতত সাম্ৰাজ্যবাদী নীতিৰে শাসন চলাই আছিল। সেয়েহে ভাৰতীয় ব্যাৱসায়ৰ পৰিধি বৃদ্ধি কৰিবলৈ আল-খাইমাহ আৰু ইয়াৰ উপকুলীয় অঞ্চল তথা

বন্দৰবোৰত আক্ৰমণ কৰি নিজৰ অধিনলৈ লৈ গৈছিল। তেনেকৈ বৃটিছ সকলে ১৮০৯ চনৰ পৰা সাম্ৰাজ্যবাদী নীতিৰে শাসন কৰিব আৰম্ভ কৰে। সেই বছৰতে স্থানীয় শাসক সকলে আৰু বৃটিছ সকলে আমিৰাতৰ সুৰক্ষাৰ কাৰণে এটা সামুদ্ৰীক চুক্তি স্বাক্ষৰ কৰে। ইয়াৰ পিছত ১৮৪৩ আৰু ১৮৫৩ চনত স্থানীয় শাসক সকলে বৃটিছৰ লগত অইন কিছুমান চুক্তিত স্বাক্ষৰ কৰি সম্পূৰ্ণৰূপে বৃটিছৰ অধিন হৈ পৰে

আকৌ ১৮৯২ চনত স্থানীয় উপকুলীয় অঞ্চলৰ শাসক সকল আৰু বৃটিছ সকলৰ মাজত অইন এটা দ্বিপাক্ষিক চুক্তি হয় যে তেওঁলোক বৃটিছসকলৰ অনুমতি অবিহনে অইন বহিঃ দেশৰ লগত কোনোধৰণ সম্পৰ্ক ৰাখিব নোৱাৰিব আৰু ইয়াৰ বাবত বৃটিছ সকলে সমুদ্ৰ পথেৰে এই উপকুল বিলাকলৈ আহিবলগা বাহিৰা শত্ৰুৰ আগ্ৰাসনৰ প্ৰতিৰোধ কৰা তথা সকলোধৰণৰ ভূমি আক্ৰমণত তেওঁলোকক সহায়ৰ প্ৰতিশ্ৰু দিছিল। আবুধাবী, ডুবাই, ছাৰজাহ, আজমন, ৰাছ আল খাইমাহ উ আল কুৱাইনৰ শাসক সকলে ১৮৯২ চনৰ মাৰ্চ মাহৰ ৬ তাৰিখৰ প ৮ তাৰিখৰ ভিতৰত এই চুক্তিত স্বাক্ষৰ কৰিছিল আৰু বৃটিছ সকল তলতীয়া হৈ পৰিছিল।

## বৃটিছ শাসনকাল আৰু খাবুৰা তেলৰ উদ্ভাৱন (British Er and Discovery of Oil)ঃ

আমিৰাত বিলাকৰ মুখ্য উপাৰ্জন আছিল বিদেশলৈ পা (মুকুতা) ৰপ্তানি বিশেষকৈ ভাৰতলৈ পাৰ্ল ৰপ্তানি কৰি এক বুজ পৰিমাণৰ ধন উপাৰ্জন কৰিছিল। কিন্তু যেতিয়া ভাৰত স্বাধীন হ তেতিয়া নতুনকৈ সংগঠিত ৰাষ্ট্ৰখনে অৰ্থনৈতিক ভাবে কিছু জৰুৰ হয়। সেয়েহে যিবিলাক সামগ্ৰীৰ টেক্স (কৰ) বেছি আছিল তেনেকুৱ সামগ্ৰীৰ আমদানী বন্ধ কৰি দিছিল, বিশেষকৈ পাৰ্লত (মুকুতাজা সামগ্ৰীত) টেক্স (কৰ) বেছি কাৰনে ইয়াৰ আমদানী বন্ধ কৰি দিছিল যাৰ ফলত আমিৰাত বোৰত অৰ্থনৈতিক সংকঠে দেখা দিয়ে আৰু সেই

অৰ্থনৈতিক অৱস্থা টনকিয়াল কৰিবলৈ অন্য উপায় বিছাৰিছিল। ঠিক সেই সময়তে বৃটিছ বিলাকে আমিৰাত সমুহত খাৰুৱা তেল অনুসন্ধান কৰিবলৈ মনস্থ কৰে আৰু আমিৰাত বোৰৰ লগত ১৯২২ চনত চুক্তি স্বাক্ষৰিত কৰে যে আমিৰাত বিলাকে বৃটিছৰ অনুমতি অবিহনে অইন কোনো বিদেশী কোম্পানীৰ লগত এনে ধৰণৰ কোনো চুক্তি স্বাক্ষৰ কৰিব নোৱাৰিব আৰু ইয়াৰ ফলত তেওঁলোকৰ অৰ্থনৈতিক অৱস্থা ভাল হব বুলি আশ্বাস দিলে। ১৯২৭ চনত বৃটিছ সকলৰ দ্বাৰা পৰিচালিত "ইৰাক পেট্ৰ'লিয়াম কোম্পানীৰ" লগত আমিৰাত বোৰৰ শাসক সকলৰ কেবালানিও আলোচনা আৰু চুক্তি হয়। খাৰুৱা তেলৰ অনুসন্ধানত বৃটিছৰ কোম্পানীয়ে বিভিন্ন ঠাইত খনন কাৰ্য্য আৰম্ভ কৰে কিন্তু বহু তললৈ খান্দিও তেলৰ অনুসন্ধান উলিয়াব পৰা নাছিল। পাছত তেওঁলোকে সমুদ্ৰৰ তলত খাৰুৱা তেলৰ অনুসন্ধান চলাইছইল আৰু কিছু পৰিমাণে খাৰুৱা তেলৰ অনুসন্ধান পাবলৈ সক্ষম হৈছিল. অৱশেষত বৃটিছৰ কোম্পানীয়ে ডুবাইৰ বিভিন্ন ঠাইত খনন কাৰ্য্য আৰম্ভ কৰে আৰু বৃহৎ পৰিমাণৰ খাৰুৱা তেলৰ অনুসন্ধান পাই আৰু এইবোৰ বানিজ্যিকভাবে আন্তঃৰাষ্ট্ৰীয় বজাৰত বিক্ৰী কৰিবলৈ লয় আৰু ক্ৰমান্বয়ে আমিৰাতবোৰ আৰ্থিকভাৱে সবল হবলৈ আৰম্ভ কৰে।

## স্বাধীনতা (Independence)ঃ

বৃটিছ চৰকাৰে আমিৰাতবোৰক বেছিদিন শাসন কৰিব নোৱাৰিব তথা ইয়াক সুৰক্ষা দিয়াতো তেওঁলোক বিফল হব বুলি স্পষ্ট হৈ পৰিছিল। সেয়েহে ১৯৬৮ চনৰ ২৪ জানুৱাৰীত বৃটিছ প্ৰধানমন্ত্ৰী হাৰলদ ৱিলচনে বৃটিছ চৰকাৰৰ সিদ্ধান্ত ঘোষনা কৰে যে আমিৰাতবোৰৰ লগত যিবোৰ চুক্তি হৈছিল সেইবোৰ ১৯৭১ চনত সমাপ্ত হব আৰু আমিৰাতবোৰ স্বাধীন হৈ পৰিব। বৃটিছ চৰকাৰৰ এই ঘোষণা প্ৰকাশৰ কিছুদিন পিছত আবুধাবীৰ শাসক জাইদ বিন চুলতান আল নাহিয়ানে আমিৰাতৰ সামৰিক শক্তিৰ দুৰ্বলতাৰ কথা চিন্তা কৰি